
পাঠ্য ১

# ঈশ্বৰ কেনেকুৱা? প্ৰথম ভাগ

**মৰমৰ বন্ধু,**

ঈশ্বৰ কেনেকুৱা তুমি কেতিয়াবা চিন্তা কৰিছা নে? ঈশ্বৰ ইমান মহান আৰু ইমান আশ্চৰ্য্য যে আমি কেতিয়াও তেওঁৰ বিষয়ে সকলো জানিব নোৱাৰিম। কিন্তু ঈশ্বৰে আমাক তেওঁৰ বিষয়ে কোৱা এখন বিস্ময়জনক কিতাপ দিছে।

এই কিতাপখন কি? সেইখন হৈছে বাইবেল, ঈশ্বৰৰ বাক্য। বাইবেলে আমাক কয় যে ঈশ্বৰে সকলো বস্তু সৃষ্টি কৰিছিল। ঈশ্বৰে সূৰ্য্য আৰু চন্দ্ৰৰ সৃষ্টি কৰিছিল। আমাৰ ওপৰত আকাশত ৰাতি তিৰ্‌বিৰাই থকা কোটি কোটি তৰাবোৰ তেওঁ সৃষ্টি কৰিছিল। ঈশ্বৰে পৃথিবী সৃষ্টি কৰিছিল। ঈশ্বৰে চৰাই, মাছ আৰু জন্তুবোৰ সৃষ্টি কৰিছিল। তাৰপাছত ঈশ্বৰে প্ৰথম পুৰুষ আৰু নাৰী সৃষ্টি কৰিছিল।



ঈশ্বৰে আমাক কিয় সৃষ্টি কৰিলে? আমি ঈশ্বৰক প্ৰেম কৰিবলৈ আৰু আমাক ঈশ্বৰে প্ৰেম কৰিবলৈ আমাক সৃষ্টি কৰা হৈছিল। ঈশ্বৰে আমাৰ প্ৰত্যেকক জানে আৰু প্ৰেম কৰে।

ঈশ্বৰ অতিশয় সন্তুষ্ট হয় যেতিয়া আমি তেওঁক জানিবলৈ আৰু প্ৰেম কৰিবলৈ বিচাৰোঁ। ঈশ্বৰক জনা আৰু প্ৰেম কৰা আমি কৰিব পৰা সকলো কামৰ ভিতৰত আটাইতকৈ উত্তম। এই কামে আমাক সঁচাকৈয়ে সুখী কৰিব।

এই পাঠ্যত ঈশ্বৰৰ বিষয়ে বাইবেলে কি কয় তাক আমি চাম। আমাক অতিশয় প্ৰেম কৰা আমাৰ আশ্চৰ্য্য ঈশ্বৰৰ বিষয়ে আমি পাঁচটা লাগতিয়াল কথা শিকিম।

## ঈশ্বৰ এজনা ব্যক্তি

ঈশ্বৰ মাত্ৰ এজনাহে আছে–সত্য আৰু জীৱিত ঈশ্বৰ। তেওঁ কৈছিল, “ময়েই যিহোৱা, আন কোনো নাই; মোৰ বাহিৰে কোনো ঈশ্বৰ নাই…” (যিচয়া ৪৫:৫)।

ঈশ্বৰ “শক্তি”নহয়। ঈশ্বৰ এজনা জীৱন্ত ব্যক্তি যিজনে আমাক প্ৰত্যেককে জানে আৰু প্ৰেম কৰে। ঈশ্বৰক আমি জানিবলৈ বিচাৰিলে তেওঁ সন্তোষ পায়। সৰ্বপ্ৰধান, তেওঁক আমাৰ সমস্ত অন্তৰৰে প্ৰেম কৰাটো ঈশ্বৰে বিচাৰে।

## ঈশ্বৰ আত্মা

ঈশ্বৰ যদিও এজনা ব্যক্তি, আমাৰ নিচিনা শৰীৰ তেওঁৰ নাই। ঈশ্বৰ আত্মা। যি আত্মা তাক আমি দেখা নাপাওঁ। ঈশ্বৰে যেতিয়া তোমাক সৃষ্টি কৰিছিল, তেতিয়া তেওঁ তোমাক এটি শৰীৰ দিছিল। তেওঁ তোমাক এটি আত্মাও দিছিল। তোমাৰ আত্মা তোমাৰ শৰীৰত বাস কৰে। অন্য লোকে তোমাৰ শৰীৰক দেখা পায়, কিন্তু তেওঁলোকে তোমাৰ আত্মাক দেখা পাব নোৱাৰে।

ঈশ্বৰ সম্পূৰ্ণ আত্মা। সেইবাবে আমি তেওঁক দেখা নাপাওঁ। ঈশ্বৰে আমাক তেওঁৰ প্ৰতিনিধিত্ব কৰিবলৈ কোনো প্ৰতিমূৰ্ত্তি নাসাজিবলৈ কৈছে। ঈশ্বৰে আমাক কোনো মূৰ্ত্তি পূজা নকৰিবলৈ কৈছে। বাইবেলে কৈছে, “ঈশ্বৰেই আত্মা আৰু তেওঁৰ ভজনা কৰাবিলাকে আত্মাৰে আৰু সত্যেৰে তেওঁৰ ভজনা কৰিব লাগে” (যোহন ৪:২৪)।

যদিও আমি তেওঁক দেখা নাপাওঁ, ঈশ্বৰেই একমাত্ৰ সত্য আৰু জীৱিত ঈশ্বৰ। আমি তেওঁক জনাটো তেওঁ বিচাৰে। আমি যেতিয়া ঈশ্বৰক জানিম, তেতিয়া আমি তেওঁক প্ৰেম কৰিম। আৰু যেতিয়া আমি তেওঁক প্ৰেম কৰোঁ, আমি তেওঁৰ আজ্ঞা মানিবলৈ বিচাৰিম।

## ঈশ্বৰ গৌৰৱান্বিত

ঈশ্বৰৰ মহিমা ইমান উজ্জ্বল যে আমি তেওঁৰ ফালে চাবই নোৱাৰিম। সূৰ্য্য উজ্জ্বলভাৱে জিলিকি থাকিলে আমি তালৈ চাব নোৱাৰোঁ। আমি যদি বহুত সময় সূৰ্য্যৰ ফালে চাই থাকোঁ, আমি আমাৰ দৃষ্টি-শক্তি হেৰুৱাম।

ঈশ্বৰৰ মহিমা সূৰ্য্যতকৈ বহু গুণে উজ্জ্বল। সেই কাৰণে আমি তেওঁলৈ চাব নোৱাৰোঁ। ঈশ্বৰে কৈছিল, “তুমি মোৰ মুখ দেখা পাব নোৱাৰা; কাৰণ মানুহে মোক দেখিলে নিজীব” (যাত্ৰাপুস্তক ৩৩:২০)।

বাইবেলে আমাক মোচি নামৰ এজন মানুহৰ কথা কৈছে। মোচি ঈশ্বৰৰ এজন বিশিষ্ট বন্ধু আছিল। তেওঁ ঈশ্বৰৰ সৈতে কথা পাতিছিল, আৰু ঈশ্বৰেও তেওঁৰ সৈতে বহুত বাৰ কথা পাতিছিল। কিন্তু মোচিয়ে ঈশ্বৰক কেতিয়াও দেখা নাছিল।



এদিন মোচিয়ে ঈশ্বৰৰ পৰা এটি বিশেষ অনুগ্ৰহ বিচাৰিলে। তেওঁ কলে, “বিনয় কৰিছোঁ, তুমি মোক তোমাৰ প্ৰতাপ দেখিবলৈ দিয়া” (যাত্ৰাপুস্তক ৩৩:১৮)।

ঈশ্বৰে মোচিক কলে, “তুমি মোৰ মুখ চাব নোৱাৰা কাৰণ কোনো মানুহে মোক দেখি জীয়াই থাকিব নোৱাৰিব। কিন্তু মই তোমাক শিলৰ ফাটত লুকাই থম, আৰু তাৰপাছত মই তোমাৰ কাষেদি যাম।”

মোচিয়ে পৰ্ব্বতটোলৈ অকলে উঠি গল। ঈশ্বৰে তেওঁক শিলৰ ফাটত লুকাই থলে। তাৰপাছত ঈশ্বৰে তেওঁৰ প্ৰতাপক মোচিৰ কাষেদি যাবলৈ দিলে। মোচিয়ে ঈশ্বৰক দেখা নাপালে, কিন্তু তেওঁ ঈশ্বৰৰ প্ৰতাপ অলপ দেখিবলৈ পালে, আৰু সেয়ে তেওঁৰ মুখখন উজ্জ্বলৰূপে জিলিকাই তুলিলে।

মোচিয়ে যেতিয়া পৰ্ব্বতটোৰ পৰা নামি আহিল, তেওঁৰ মুখ ইমান উজ্জ্বল হৈ আছিল যে মানুহবোৰে তেওঁক ভয় কৰিছিল। ইয়াত কোনো আচৰিত হবলগীয়া নাই যে মোচি আৰু মানুহবিলাকে কৈছিল, “হে যিহোৱা, ...তোমাৰ তুল্য কোন আছে? পবিত্ৰতাত তোমাৰ নিচিনা আদৰণীয়ই বা কোন?” (যাত্ৰাপুস্তক ১৫:১১)।

# ঈশ্বৰ পৱিত্ৰ

ইয়াৰ অৰ্থ এই যে ঈশ্বৰ নিৰ্ম্মল আৰু নিখুঁত আৰু সম্পূৰ্ণ পাপহীন। বাইবেলত অন্ধকাৰ শব্দটোৱে কেতিয়াবা পাপক বুজায়। বাইবেলে ঈশ্বৰৰ বিষয়ে কৈছে, “ঈশ্বৰ পোহৰ, আৰু আন্ধাৰ [কোনো পাপ] তেওঁত এফেৰিও নাই” (১ যোহন ১:৫)।

ঈশ্বৰ সম্পূৰ্ণ পোহৰ আৰু মহিমা। ঈশ্বৰ নিৰ্ম্মল। ঈশ্বৰে কেতিয়াও পাপ নকৰে। ঈশ্বৰে সদায় যি ভাল আৰু শুদ্ধ তাকেহে কৰে। পাপপূৰ্ণ একো ঈশ্বৰৰ উপস্থিতিলৈ কেতিয়াও আহিব নোৱাৰে। বাইবেলে কৈছে, “আমাৰ ঈশ্বৰ যিহোৱা পবিত্ৰ” (গীতমালা ৯৯:৯)।

ঈশ্বৰে এবাৰ যিচয়া নামেৰে এজন ভাববাদীক দৰ্শনত কথা কৈছিল। দৰ্শন এটা সপোনৰ নিচিনা। যিচয়াই ঈশ্বৰক তেওঁৰ সিংহাসনত বহি থকা এটা দৰ্শন পালে। তেওঁৰ সিংহাসনৰ চাৰিওফালে বহুতো স্বৰ্গদূতে ঈশ্বৰৰ প্ৰশংসা কৰি কৈ আছিল, “পবিত্ৰ, পবিত্ৰ, পবিত্ৰ, বাহিনীবিলাকৰ যিহোৱা, গোটেই পৃথিবী তেওঁৰ মহিমাৰে পৰিপূৰ্ণ” (যিচয়া ৬:৩)।

যিচয়াই যেতিয়া ঈশ্বৰৰ এই দৰ্শন দেখিলে, তেওঁ ভয় কৰিলে। সেই দৰ্শনটোৱে তেওঁক দেখুৱালে যে তেওঁ পাপী আৰু ঈশ্বৰ পবিত্ৰ।



# ঈশ্বৰ পবিত্ৰ



## ঈশ্বৰ প্ৰেম

ইয়াৰ অৰ্থ হৈছে যে ঈশ্বৰে আমাক প্ৰেম কৰে আৰু আমাৰ বাবে যি আটাইতকৈ উত্তম তাকেহে বিচাৰে। ঈশ্বৰে আমাক প্ৰেম কৰে বুলি আমি কেনেকৈ জানোঁ? আমি দুই প্ৰকাৰে জানোঁ:

- ঈশ্বৰে সেই বুলি কৈছিল। ঈশ্বৰে তেওঁৰ বাক্যত কৈছে, "মই চিৰস্থায়ী প্ৰেমেৰে তোমাক প্ৰেম কৰোঁ..." (যিৰিমিয়া ৩১:৩)।
- আমাৰ পাপৰ বাবে শাস্তি লবলৈ ঈশ্বৰে তেওঁৰ পুত্ৰক দিলে।

ঈশ্বৰে তেওঁৰ পুত্ৰ, প্ৰভু যীচুক আমাৰ পাপৰ বাবে–আমি কোৱা আৰু কৰা বেয়া কামবোৰৰ বাবে–ক্ৰুচত মৃত হবলৈ দিয়াৰ দ্বাৰাই আমাৰ বাবে তেওঁৰ মহৎ প্ৰেম দেখুৱালে। বাইবেলে কৈছে, "ঈশ্বৰে আমালৈ তেওঁৰ প্ৰেমৰ প্ৰমাণ দিছে; কাৰণ ইতিপূৰ্ব্বেই যেতিয়া আমি পাপী আছিলোঁ, তেতিয়া খ্ৰীষ্টে আমাৰ কাৰণে আপোন প্ৰাণ দিলে" (ৰোমীয়া ৫:৮)।

তুমি ভাবিব পাৰা, "মই কোৱা আৰু কৰা সকলো বেয়া কথা আৰু কাম ঈশ্বৰে জানে নে কি?" হয়, ঈশ্বৰে সেই সকলো জানে, কিন্তু তথাপি তেওঁ তোমাক তেওঁৰ সমস্ত অন্তৰৰে প্ৰেম কৰে। তোমাৰ জীৱনৰ প্ৰত্যেক ক্ষণত তেওঁ তোমাক প্ৰেম কৰে।

প্ৰভু যীচু মোৰ পাপৰ বাবে মৰিল। তেওঁ তোমাৰ পাপৰ বাবে মৰিল। কিন্তু তেওঁ মৃত হৈ নাথাকিল। তেওঁ তৃতীয় দিনা কবৰৰ পৰা উঠিল। তেওঁ আমাৰ জীৱিত ত্ৰাণকৰ্ত্তা! তেওঁ তোমাৰ পাপৰ বাবে মৰাজন আৰু তোমাৰ ত্ৰাণকৰ্ত্তা হবলৈ পুৰ্নজীৱিত হোৱাজন বুলি তেওঁত তুমি বিশ্বাস কৰাটো ঈশ্বৰে বিচাৰে।

তুমি কি কৰাটো ঈশ্বৰে আটাইতকৈ বেচি বিচাৰে তুমি জানা নে? তুমি তেওঁক তোমাৰ সমস্ত অন্তৰৰে প্ৰেম কৰা তেওঁ বিচাৰে!

ঈশ্বৰ সন্তুষ্ট হয় যেতিয়া তুমি ঈশ্বৰক তোমাৰ সমস্ত অন্তৰৰে প্ৰেম কৰিবলৈ মনস্থ কৰা। বাইবেলত দায়ূদ ৰজা ঈশ্বৰৰ এজন মহৎ মানুহ আছিল। তেওঁ ঈশ্বৰক প্ৰেম কৰিবলৈ বাছি লৈছিল। তেওঁ কৈছিল, "হে যিহোৱা, মই তোমাক প্ৰেম কৰিম!" এই কথাই ঈশ্বৰক সন্তুষ্ট কৰিছিল, আৰু দায়ূদ ৰজাৰ দৰে তুমিও তেওঁক প্ৰেম কৰিবলৈ বাছি ললে ঈশ্বৰ অতিশয় সন্তুষ্ট হব। তোমাক সহায় কৰিবলৈ এয়া এটা প্ৰাৰ্থনা:

"প্ৰিয় ঈশ্বৰ, মই ইমান আনন্দিত যে মই তোমাক প্ৰেম কৰাটো তুমি বিচাৰা। মই সঁচাকৈয়ে মোৰ সমস্ত অন্তৰৰে তোমাক প্ৰেম কৰিবলৈ বিচাৰোঁ। তুমি মোক ইমান প্ৰেম কৰাৰ বাবে ধন্যবাদ দিওঁ যে মোৰ পাপৰ কাৰণে ক্ৰুচত মৃত্যু বৰণ কৰিবলৈ তুমি তোমাৰ পুত্ৰ, প্ৰভু যীচুক পঠালা।"




## “মই কেনেকৈ ঈশ্বৰৰ সন্তান হব পাৰিম ?”

ক- স্বীকাৰ কৰা যে তুমি পাপী।

খ - তোমাৰ পাপৰ বাবে মৃত্যু বৰণ কৰা জন বুলি যীচুত বিশ্বাস কৰা।

গ - প্ৰভু যীচুৰ ওচৰলৈ আহাঁ আৰু তোমাৰ ত্ৰাণকৰ্ত্তা হিচাপে তেওঁক গ্ৰহণ কৰা।

“হে প্ৰভু যীচু, মোৰ পাপৰ বাবে মই সঁচাকৈয়ে অনুতপ্ত। মই বিশ্বাস কৰোঁ যে তুমিয়েই ঈশ্বৰৰ পুত্ৰ আৰু মোৰ পাপৰ কাৰণে তুমি মৰিলা। এই মুহূৰ্ত্তত মই যিমান উত্তমৰূপে জানোঁ তেনেকৈ তোমাক মোৰ ত্ৰাণকৰ্ত্তা স্বৰূপে লৈছোঁ।”

# মোৰ মুখস্থ পদ



“হে মোৰ যিহোৱা,
মই তোমাক অতি প্ৰীতি কৰোঁ।”
গীতমালা ১৮:১


# সম্পদৰ অনুসন্ধান


আবিষ্কৃত সম্পদ বিচাৰি পাবলৈ গুপ্ত সাংকেতিক চিহ্ন ব্যৱহাৰ কৰা

**গুপ্ত সাংকেতিক চিহ্ন (ইংৰাজীত)**

স দে প্রে ৰা তো ৰ ঈশ্ব ক

মা লা কে য়ে ম হ্ন







# প্ৰশ্নৰ পৃষ্ঠা

অনুসন্ধানকাৰী ১–পাঠ্য ১

নিৰ্দেশনা: দুয়োটাৰ ভিতৰত ভাল উত্তৰটো বাছা–ক বা খ। আঁকি থোৱা বাকচটোত লিখা।

খ

১। ঈশ্বৰ কেনেকুৱা?

ক। জগতৰ ভালৰ বাবে ঈশ্বৰ এক "শক্তি"।
খ। ঈশ্বৰ আমাক জনা আৰু প্ৰেম কৰা এজন জীৱিত ব্যক্তি।

২। আমি ঈশ্বৰক দেখা নাপাওঁ কাৰণ

ক। ঈশ্বৰ আত্মা আৰু আত্মাক আমি দেখা নাপাওঁ।
খ। ঈশ্বৰ ইমান দূৰৈত থাকে যে আমি তেওঁক দেখা নাপাওঁ।

৩। বাইবেলে যেতিয়া ঈশ্বৰ পবিত্ৰ বুলি কয়, ইয়াৰ অৰ্থ এই যে

ক। ঈশ্বৰ অতিশয় ভাল।
খ। ঈশ্বৰ নিৰ্ম্মল আৰু নিখুঁত আৰু সম্পূৰ্ণ পাপহীন।

৪। মই জানোঁ যে ঈশ্বৰে মোক প্ৰেম কৰে কাৰণ

ক। তেওঁ নিজৰ পুত্ৰক মোৰ পাপৰ বাবে মৰিবলৈ দিলে।
খ। মই অনুভৱ কৰোঁ যে তেওঁ মোক প্ৰেম কৰে।

৫। মই কি কৰাটো ঈশ্বৰে আটাইতকৈ বেছি বিচাৰে?

ক। ঈশ্বৰে মই তেওঁক মোৰ সমস্ত অন্তৰৰে প্ৰেম কৰা বিচাৰে।
খ। ঈশ্বৰে তেওঁৰ বাবে মই বহুতো ভাল কাম কৰা বিচাৰে।

ইয়াত তোমাৰ মুখস্থ পদ লিখা:



আবিষ্কৃত সম্পদ লিখা

নাম ______________________ জন্মদিন ___/___/___ বয়স ________ শ্ৰেণী________

# যীচুৰ সৈতে মোৰ যাত্ৰা

1 এই পাঠৰ যোগে আপুনি বিশেষ গুৰুত্বপূৰ্ণ কথা কি শিকিলে?

2 এই পাঠৰ পৰা আপুনি নুবুজা কিবা আছে নেকি?

3 আপোনাৰ কিবা বিশেষ প্ৰয়োজন বা প্ৰাৰ্থনাৰ অনুৰোধ আছে নেকি?

4 আমি আপোনাক এখন জাৰ্নেল আৰম্ভ কৰিবলৈ উৎসাহিত কৰোঁ। ঈশ্বৰৰ প্ৰাৰ্থনা, প্ৰশংসা আৰু ধন্যবাদ লিখি উলিয়াওক!